Total No. of Printed Pages—4

**5 SEM TDC ASMH (CBCS) C 12**

**2022**

( Nov/Dec )

# ASSAMESE

( Core )

Paper : C–12

**( Studies on Assamese Linguistics )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) ধ্বনি, বৰ্ণ আৰু উপধ্বনিৰ সংজ্ঞা লিখি উদাহৰণ দিয়াঁ। তিনিওটাৰ মাজৰ পাৰস্পৰিক সম্পৰ্ক আৰু পাৰ্থক্য বিচাৰ কৰাঁ। ৬+৫+৫=১৬

অথবা

(খ) চমু টোকা লিখাঁ (যি কোনো চাৰিটা) : ৪×৪=১৬

(১) বাগিন্দ্ৰিয়ৰ পৰিচয়

(২) ধ্বনিৰ পৰা বৰ্ণ নিৰূপণ প্ৰক্ৰিয়া

(৩) বিষমীভৱন

(৪) স্পুনাৰিজম

(৫) আগম

২। (ক) উচ্চাৰণৰ স্থান আৰু ধৰণ অনুসৰি অসমীয়া ভাষাৰ ব্যঞ্জনবৰ্ণসমূহৰ এখন তালিকা প্ৰস্তুত কৰাঁ। ইয়াৰে স্পৰ্শবৰ্ণসমূহৰ আদি স্থানত বিৰোধ বিচাৰ কৰি প্ৰতিটো বৰ্ণৰ প্ৰতিনিধিত্বকাৰী আখৰসমূহ উল্লেখ কৰাঁ। ৪+৮+৪=১৬

*অথবা*

(খ) অসমীয়া ভাষাৰ লয়বৰ্ণসমূহ কি কি? উদাহৰণসহ প্ৰতিটো বৰ্ণ সম্পৰ্কে আলোচনা কৰাঁ। ২+১৪=১৬

৩। (ক) আকৃতি, প্ৰাকৃতি আৰু উপাকৃতিৰ সংজ্ঞা লিখি উদাহৰণ দিয়াঁ। প্ৰত্যেকৰে মাজৰ পাৰ্থক্য বিচাৰ কৰাঁ। ৬+৯=১৫

*অথবা*

(খ) চমু টোকা লিখাঁ (যি কোনো তিনিটা) : ৫×৩=১৫

(১) প্ৰাকৃতিৰ অৱস্থানগত শ্ৰেণীবিভাগ

(২) আকৃতিৰ পৰা প্ৰাকৃতি নিৰূপণ

(৩) আকৃতি আৰু প্ৰাকৃতিৰ সম্পৰ্ক বিচাৰ

(৪) উপাকৃতিৰ সংজ্ঞা আৰু উদাহৰণ

৪। (ক) অসমীয়া ভাষাৰ শব্দ গঠন আৰু সাধন প্ৰক্ৰিয়া সম্পৰ্কে উদাহৰণসহ এটি আলোচনা যুগুত কৰাঁ। ১২

*অথবা*

(খ) ব্যাকৰণগত বিষয় বুলিলে কি বুজা? অসমীয়া ভাষাৰ ব্যাকৰণগত বিষয়সমূহৰ বিষয়ে উদাহৰণসহ এটি টোকা যুগুত কৰাঁ। ২+১০=১২

৫। (ক) অসমীয়া ভাষাৰ বাক্য গঠন প্ৰক্ৰিয়া সম্পৰ্কে সকলো দিশ সামৰি উদাহৰণসহ এটি নিবন্ধ যুগুত কৰাঁ। ১৪

*অথবা*

(খ) টোকা লিখাঁ (যি কোনো দুটা) : ৭×২=১৪

(১) অসমীয়া বাক্যৰ প্ৰকাৰ

(২) অৱস্থানগত বিভাগ অনুসৰি অসমীয়া বাক্যৰ বিশ্লেষণ

(৩) খণ্ডবাক্য গঠনৰ নিয়ম অনুসৰি অসমীয়া বাক্যৰ বিশ্লেষণ

৬। চমু উত্তৰ লিখাঁ : ১×৭=৭

(ক) ধ্বনিবিজ্ঞান সম্পৰ্কে অসমীয়া ভাষাত পোনপ্ৰথমে কোনে গ্ৰন্থ ৰচনা কৰিছিল?

(খ) অসমীয়া ভাষাৰ পাশ্চিক ধ্বনিটো কি?

(গ) অনিয়তাঘৃষ্ট ধ্বনি বুলিলে কোনবিলাক ধ্বনিক বুজায়?

(ঘ) বাক্য শ্বাসাঘাত বুলিলে কি বুজা?

(ঙ) লাহোৰাল>লাওহাল—ইয়াত ধ্বনি পৰিৱৰ্তনৰ কোনটো নিয়ম প্ৰযোজ্য হৈছে?

(চ) অসমীয়া ভাষাৰ স্ত্ৰী প্ৰত্যয়কেইটা কি কি?

(ছ) *Syntactic Structures* গ্ৰন্থৰ লেখক কোন?

★★★